**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 07-04-2026 **Time :** 11.00 Hrs.

## *Assamese Morning Bulletin*

বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান আজি বিয়লি ৫ বজাত সামৰণি পৰিব। ভোটগ্ৰহণ শেষ হোৱাৰ ৪৮ ঘণ্টা পূৰ্বে কাৰ্যকৰী হোৱা এই নিষেধাজ্ঞা ১৯৫১ চনৰ জনপ্ৰতিনিধিত্ব আইনৰ ১২৬ নম্বৰ ধাৰা অনুসৰি জাৰি কৰা হৈছে। এই সময়ছোৱাত ৰাজহুৱা সভা, শোভাযাত্ৰা, ইলেকট্ৰনিক অথবা সামাজিক মাধ্যমৰ জৰিয়তে কৰা প্ৰচাৰকে ধৰি সকলো ধৰণৰ নিৰ্বাচনী প্ৰচাৰ সম্পূৰ্ণভাৱে নিষিদ্ধ থাকিব। নিৰ্বাচন আয়োগে ইলেকট্ৰনিক মাধ্যমত মতামত, সমীক্ষা আৰু জৰীপৰ ফলাফলকে ধৰি নিৰ্বাচন সম্পৰ্কীয় বিষয়বস্তু প্ৰদৰ্শন কৰাতো বাধা আৰোপ কৰিছে। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে সকলো প্ৰাৰ্থী, ৰাজনৈতিক দল আৰু সংবাদ মাধ্যমক এই নীতি নিৰ্দেশনা কঠোৰভাৱে মানি চলিবলৈ আহ্বান জনাইছে। নিৰ্বাচন আয়োগে ৯ এপ্ৰিলৰ দিনা ৰাজ্যখনৰ সকলো জনসাধাৰণকে নিৰ্ভয়ে ভোটদান কৰি গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে।

০০০০০০০

বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি অন্তিম দিনটোত ৰাজনৈতিক দলসমূহে নিজ নিজ দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাইছে। জ্যেষ্ঠ বিজেপি নেতা অমিত শ্বাহে বৰাকত তিনিখন নিৰ্বাচনী সভাত অংশ ল'ব। তেওঁ পাথাৰকান্দি আৰু হাইলাকান্দি বিধানসভা সমষ্টিৰ দুখন নিৰ্বাচনী সভাৰ লগতে শিলচৰৰ পুলিচ পেৰেড গ্ৰাউণ্ডত আন এখন সভাত অংশ ল'ব। বিজেপি নেত্ৰী তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী স্মৃতি ইৰাণীয়েও আজি অসমত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি ডিমৌৰ বালি খেলপথাৰত দলীয় প্ৰাৰ্থী সুশান্ত বৰগোহাঁইৰ হৈ প্ৰচাৰ চলাব। ডঃ শৰ্মাই কাকজান ক্ৰীড়া সন্থাৰ খেল পথাৰত দুপৰীয়া হ'বলগীয়া নিৰ্বাচনী প্ৰচাৰ সভাত অসম গণ পৰিষদ দলৰ তথা এন ডি এ সমৰ্থিত প্ৰাৰ্থী বিকাশ শইকীয়াৰ হৈ প্ৰচাৰ চলাব। তিতাবৰৰ ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পত আয়োজিত আন এখন নিৰ্বাচনী প্ৰচাৰ সভাত দলীয় প্ৰাৰ্থী ধীৰাজ গোৱালাৰ হৈ মুখ্যমন্ত্ৰীয়ে প্ৰচাৰ চলাব। বিয়লিৰ ভাগত দেৰগাঁও বিধানসভা সমষ্টিৰ প্ৰাৰ্থী মৃদুল কুমাৰ দত্তৰ হৈ মুখ্যমন্ত্ৰী ডঃ শৰ্মাই বৰজান বাগান খেল পথাৰত হ'বলগীয়া আন এখন নিৰ্বাচনী সভাত অংশ ল'ব।

ইপিনে, দিছপুৰ বিধানসভা সমষ্টিৰ ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ মনোনীত আৰু মিত্ৰজোঁটৰ সমৰ্থিত প্ৰাৰ্থী মীৰা বৰঠাকুৰৰ হৈ আজি কংগ্ৰেছ নেতা কানহাইয়া কুমাৰে প্ৰচাৰ চলায়। এই উদ্দেশ্যে মানৱেন্দ্ৰ শৰ্মা চৌহদৰ পৰা এটা ৰোড শ্ব' উলিওৱা হ'য়।

বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি আজি প্ৰচাৰৰ অন্তিম দিনা ৰাষ্ট্ৰীয় দল বিজেপি, কংগ্ৰেছ, তৃণমূল কংগ্ৰেছ, এ আই ইউ ডি এফ, আঞ্চলিক দল অসম গণ পৰিষদ, ৰাইজৰ দল, অসম জাতীয় পৰিষদ, বি পি এফ আৰু ইউ পি পি এল আদি দলসমূহৰ নেতা সকলে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত সমষ্টিয়ে সমষ্টিয়ে ব্যাপক প্ৰচাৰ অভিযান চলাইছে।

০০০০০০০

বিধানসভা নিৰ্বাচনৰ বাবে ৰাজ্যজুৰি আজি বিয়লি ৫ বজাৰ পৰা ৯ এপ্ৰিলৰ বিয়লি ৫ বজালৈ সম্পূৰ্ণৰূপে সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে। জিলা প্ৰশাসনসমূহে এই সময়ছোৱাত সুৰাপান আৰু বিক্ৰী তথা মজুতকৰণ নিষিদ্ধ কৰিছে। তদুপৰি ৪ মে'ৰ ভোটগণনা দিনাও ভোটগণনা সম্পূৰ্ণ নোহোৱা পৰ্যন্ত সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে। এই সময়ছোৱাত কোনো লোকে ব্যক্তিগতভাৱে সুৰা মজুত কৰি ৰাখিলে ১৯৫১ চনৰ জনপ্ৰতিনিধিত্ব আইনৰ ধাৰা অনুসৰি কঠোৰ ব্যৱস্থা লোৱা হ'ব।

০০০০০০০

দৰং জিলাৰ ছিপাঝাৰ বিধানসভা সমষ্টিৰ ৰূপহীকাষত কালি নিশা সংঘটিত নিৰ্বাচনী হিংসাত্মক ঘটনাত কেইবাজনো দলীয় কৰ্মী আঘাতপ্ৰাপ্ত হয়। আৰক্ষী সূত্ৰৰ উদ্ধৃতি দি আমাৰ মঙ্গলদৈৰ সংবাদদাতাই জনোৱা মতে নিৰ্বাচনী প্ৰচাৰৰ সময়ত কংগ্ৰেছ আৰু বিজেপি সমৰ্থকৰ মাজত হোৱা বাক-বিতণ্ডাৰ ফলত এই হিংসাত্মক পৰিস্থিতিৰ সৃষ্টি হয়। ঘটনা সংক্ৰান্তত আৰক্ষীয়ে এজন লোকক আটক কৰিছে।

০০০০০০০০

আজি বিশ্ব স্বাস্থ্য দিৱস। প্ৰতিবছৰে ৭ এপ্ৰিলৰ দিনটো বিশ্ব স্বাস্থ্য সংস্থাই বিশ্ব স্বাস্থ্য দিৱসৰূপে পালন কৰি আহিছে। এইবছৰ এই দিৱসৰ মূল বাণী হৈছে TOGETHER FOR HEALTH- STAND WITH SCIENCE। বছৰজুৰি চলিবলগীয়া এই দিৱসৰ কাৰ্যসূচীত জনস্বাস্থ্যৰ লগতে জীৱজন্তু, গছ-গছনি, পৰিৱেশ তন্ত্ৰকে ধৰি সকলোৰে সুস্বাস্থ্যৰ বাবে সজাগতা সৃষ্টিৰ লগতে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হ'ব।

০০০০০০০০

ডিব্ৰুগড় জিলাৰ কনভয় ৰোডৰ নিজ কদমনি নিবাসী বিশিষ্ট অস্থি ৰোগ চিকিৎসক ডঃ চাজিদ আহমেদৰ কালি হৃদ ৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৫২ বছৰ। ভালেসংখ্যক গুণমুগ্ধৰ উপস্থিতিত নালিয়াপুল কবৰস্থানত ¯ তেওঁৰ জানাজা সম্পন্ন কৰা হয়। এগৰাকী সফল অস্থি ৰোগৰ চিকিৎসক হিচাপে পৰিচিত ড০ চাজিদ আহমেদৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰে।

০০০০০০০০

**সমাপ্ত**